# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-12-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

ডিব্ৰুগড়ৰ অসম সচিবালয়ত আজি অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। তিনিদিনীয়া উজনি অসমৰ ভ্ৰমণসূচীৰে বৰ্তমান ডিব্ৰুগড়ত বাহৰ পাতি থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বৈঠকত অধ্যক্ষতা কৰিব।

আজি সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বৈঠকখনত পৰিবহন মন্ত্ৰী যোগেন মহন, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকিব। বৰ্তমান গুৱাহাটী আৰু আন জিলা সদৰত থকা মন্ত্ৰীসভাৰ সদস্যসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ ল'ব।

মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি ডিব্ৰুগড় মানকটা খেলপথাৰত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত নগদ ধন আৰু সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠানত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত দুহেজাৰ ৫৯৩ গৰাকী শিক্ষাৰ্থীক স্কুটী প্ৰদান কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা এহেজাৰ ২৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হয়। সেইদৰে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ২৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কাৰ্যসূচী আৰম্ভ কৰা হয়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ জিলাসমূহত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিছে।

ooooo

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে ডিফু চিকিৎসা মহাবিদ্যালয়ৰ এনাছথেছিয়া বিভাগৰ সহযোগী অধ্যাপক ডাঃ মৃদু পৱন নাথৰ অগ্ৰিম জামিন নাকচ কৰিছে। ন্যায়ালয়ে ডাঃ নাথক পূৰ্বে প্ৰদান কৰা অন্তৰ্বৰ্তীকালীন জামিনো বাতিল কৰে। উল্লেখযোগ্য যে, চৰকাৰী চাকৰিৰ লগতে গুৱাহাটীত ব্যক্তিগত চিকিৎসালয় চলাই ডাঃ নাথে আয়তকৈ অধিক সা-সম্পত্তি অৰ্জন কৰা তথ্য মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে লাভ কৰিছিল। এনে তথ্যৰ আধাৰত অনুন্ধান চলাই উপযুক্ত তথ্য লাভ কৰাৰ পাছত তদাৰকী কোষে ডাঃ নাথৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰে। এই গোচলতে ন্যায়ালয়ে অভিযুক্ত চিকিৎসকগৰাকীৰ জামিন নাকচ কৰে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযুক্ত চিকিৎসকগৰাকীৰ বিৰুদ্ধে ভুৱা মৰনোত্তৰ প্ৰতিবেদন প্ৰদান কৰাৰো তথ্য লাভ কৰিছে।

ooooo

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত প্ৰশিক্ষণ লাভ কৰা এহেজাৰ ৯৪৬ আৰক্ষী জোৱানে আজি দীক্ষান্ত কুচ-কাৱাজত অংশগ্ৰহণ কৰে। অসম আৰু মণিপুৰৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে এই কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। কুচ-কাৱাজৰ সামৰণিত ৰাজ্যপাল আচাৰ্যই এই জোৱানসকলক কৰ্তব্য আৰু দায়িত্বৰ শপতবাক্য পাঠ কৰায়। দীক্ষান্ত ভাষণত ৰাজ্যপাল আচাৰ্যই ১৬ শতিকাৰ মহান বীৰ লাচিত বৰফুকনৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ দেশ আৰু ৰাজ্যৰ সেৱা কৰি যাবলৈ জোৱানসকলক আহ্বান জনায়। কৰ্তব্য নিষ্ঠাৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধ হৈ কাম কৰি যাবলৈ তেওঁ নৱনিযুক্ত জোৱানসকলক পৰামৰ্শ দিয়ে। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত মণিপুৰ আৰক্ষীৰ এই জোৱানসকলক আধুনিক প্ৰশিক্ষণ দিয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয় আৰু দুয়োখন ৰাজ্যৰ আৰক্ষী বাহিনীয়ে অদূৰ ভৱিষ্যতে অধিক সহযোগিতাৰে কাম কৰি যাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। দীক্ষান্ত সমাৰোহত ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং, সাংসদ কামাখ্যা প্ৰসাদ তাছা, কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী আৰু অসম আৰু মণিপুৰ আৰক্ষীৰ ভালেকেইগৰাকী উচ্চ পদস্থ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০

দেশজুৰি উদযাপিত সু-শাসন সপ্তাহ ২০২৪ৰ অংশ হিচাপে মৰিগাঁও জিলাত যোৱা ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। এই উপলক্ষে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ আৰম্ভণিতে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সু-শাসন সপ্তাহৰ মূল লক্ষ্যসমূহ ব্যাখ্যা কৰে। তেওঁ সু-শাসনৰ জৰিয়তে জনতাৰ সমস্যাৰ দ্ৰুত সমাধান, উন্নত সেৱা প্ৰদান আৰু প্ৰশাসনক অধিক জনমুখি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হৰিচন্দ্ৰ দত্ত আৰু ৰাজ্য চৰকাৰৰ সচিব কাব্যশ্ৰী মহন্তই সু-শাসন সম্পৰ্কত আলোকপাত কৰে। তেওঁলোকে সু-শাসনৰ জৰিয়তে প্ৰশাসনৰ স্বচ্ছতা, দ্ৰুত সেৱা প্ৰদান আৰু জনমুখি পদক্ষেপ সম্বন্ধে ভাষণত উল্লেখ কৰে। কৰ্মশালাখনত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াসকলে নিজ নিজ বিভাগৰ জৰিয়তে ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু সেৱাসমূহৰ বিষয়ে প্ৰতিবেদন আগবঢ়ায়।

একেদৰে বৰপেটা জিলাতো সু-শাসন সপ্তাহ উপলক্ষে চৰকাৰৰ কেইবাটাও বিভাগৰ কাম-কাজক লৈ এখন কৰ্মশালা অনুষ্ঠিত হয়। জিলাখনৰ গ্ৰামাঞ্চলৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে ৰাইজক উৎকৃষ্ট সেৱা আগবঢ়োৱা সম্পৰ্কে কৰ্মশালাখনত আলোচনা কৰা হয়। এই কৰ্মশালাত স্বাস্থ্য, কৃষি, পশুপালন, সমবায় সমিতি আৰু উদ্যোগত বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। জিলাখনত ৰূপায়ণ হৈ থকা কামবোৰ অধিক ফলপ্ৰসূ কৰি তুলিবলৈ ল'বলগীয়া পদক্ষেপ সম্পৰ্কেও কৰ্মশালাখনত আলোচনা কৰা হয়।

০০০০০

সমাপ্ত